অসম

# একেলগে জ্বলিব তিনি ভগ্নীৰ চিতা, কাজিৰঙাৰ দুর্ঘটনাই কাঢ়িলে একেটা পৰিয়ালৰ তিনিগৰাকীকৈ কন্যাৰ প্ৰাণ

কাজিৰঙাৰ ৰঙাজানত সংঘটিত পথ দুর্ঘটনাত একেটা পৰিয়ালৰ জ্যোতি মাঝি, দর্পণা মাঝি আৰু লক্ষ্মী মাঝিৰ মৃত্যু হৈছে।

প্ৰকাশ: ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৬



Darpana Majhi:Three girls from one family die in Kaziranga road accident (NewzNow)

গুৱাহাটী, ১৪ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়াৱহ পথ দুর্ঘটনাত একেটা পৰিয়ালৰ তিনিগৰাকী কন্যাৰ মৃত্যু হৈছে। নিহত তিনিগৰাকী হৈছে জ্যোতি মাঝি, দর্পণা মাঝি আৰু লক্ষ্মী মাঝি।

জ্যোতি মাঝি আৰু দর্পণা মাঝিয়ে দুর্ঘটনাস্থলীতে প্ৰাণ হেৰুৱাইছিল। গুৰুতৰভাৱে আহত লক্ষ্মী মাঝিৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। লক্ষ্মী মাঝি দুই ভগ্নীৰ বৰদেউতাকৰ জীয়ৰী আছিল।

তিনিওগৰাকী কন্যাৰ শেষকৃত্য আজি একেলগে সম্পন্ন কৰা হ'ব। একেটা পৰিয়ালৰ তিনিগৰাকী কন্যাৰ মৃত্যুত আত্মীয়-স্বজন শোকত ভাগি পৰিছে।

শুকুৰবাৰে সংঘটিত এই দুর্ঘটনাত বর্তমানলৈকে ২৬গৰাকী লোকৰ মৃত্যু হৈছে। গুৰুতৰভাৱে আহতসকলৰ চিকিৎসা অব্যাহত আছে।

আহতসকলক প্ৰথমে কঁহৰা আদৰ্শ চিকিৎসালয় আৰু বোকাখাত শ্বহীদ কমলা মিৰি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। পাছত উন্নত চিকিৎসাৰ বাবে তেওঁলোকক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। বৰ্তমান চিকিৎসালয়খনত ১৭গৰাকী আহত লোক চিকিৎসাধীন হৈ আছে আৰু ইয়াৰে এগৰাকীৰ অৱস্থা অতি সংকটজনক বুলি জানিব পৰা গৈছে।

---

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2929/kaziranga-rangajan-accident-three-sisters